NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। দেশত চিকিৎসা বৃত্তিত জড়িত লোকসকলৰ নিৰাপত্তা, সুৰক্ষা আৰু কাম কৰাৰ পৰিৱেশ সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে উচ্চতম ন্যায়ালয়ৰ বাবে গঠন কৰা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী- এন টি এফৰ প্ৰথমখন বৈঠক আজি অনুষ্ঠিত হয়।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ব্ৰাজিলৰ জি টুৱেণ্টি অধ্যক্ষতাৰ প্ৰতি ভাৰতৰ পূৰ্ণ সমৰ্থনৰ কথা দোহাৰিছে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰিব।

৪। বিজেপিয়ে অহা ২ ছেপ্তেম্বৰত সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব। ***আৰু***

৫। হৰমন প্ৰীত কৌৰ ইউ এ ইত হ'বলগীয়া মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ১৫ জনীয়া ভাৰতীয় দলৰ অধিনায়ক হ'ব।

ooo

দেশত চিকিৎসা বৃত্তিত জড়িত লোকসকলৰ নিৰাপত্তা, সুৰক্ষা আৰু কাম কৰাৰ পৰিৱেশ সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে উচ্চতম ন্যায়ালয়ৰ বাবে গঠন কৰা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী- এন টি এফৰ প্ৰথমখন বৈঠক আজি অনুষ্ঠিত হয়। কেবিনেট সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব আৰু স্বাস্থ্য সচিবকে ধৰি আটাইকেইগৰাকী সদস্য উপস্থিত থাকে। বৈঠকত বিভিন্ন বিষয় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে সদস্যসকলে নিজৰ পৰামৰ্শ দাঙি ধৰে।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা জনসাধাৰণ আৰু অন্য পক্ষৰ পৰামৰ্শ বিচাৰি নিজৰ ৱেবচাইটত "Suggestions to NTF" শীৰ্ষক প'ৰ্টেল মুকলি কৰিছে। মন্ত্ৰালয়ে লগতে সংশ্লিষ্ট ৰাজ্যসমূহৰ চিকিৎসা সংস্থাসমূহত উপলব্ধ সুৰক্ষা ব্যৱস্থা সন্দৰ্ভত তথ্য দাখিল কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে এই পোৰ্টেলত লাভ কৰা তথ্যসমূহ ৰাষ্ট্ৰীয় টাস্ক ফোৰ্চৰ সদস্যসকলৰ বিবেচনাৰ বাবে প্ৰদান কৰিব। ইপিনে এন টি এফৰ সদস্য সকলে প্ৰকাশ কৰা মতে তেওঁলোকক বিভিন্ন ক্ষেত্ৰৰ লোকে প্ৰত্যক্ষভাৱে সাক্ষাৎ কাৰাৰ উপৰি প্ৰায় ৪০০টা পৰামৰ্শ প্ৰদান কৰিছে। এই সন্দৰ্ভত আলোচনাৰ বাবে কাইলৈও আন এখন বৈঠক ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত হ'ব। এই বৈঠকত ৰাজ্যসমূহৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানে অংশ লব। কেন্দ্ৰীয় গৃবহ সচিব তথা কেন্দ্ৰীয় স্বাস্থ্য সচিবে বৈঠকত সহ অধ্যক্ষতা কৰিব।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সৈতে টেলিফোনযোগে কথা পাতে আৰু ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ সংঘৰ্ষক লৈ মত বিনিময় কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে, তেওঁ শ্ৰীপুটিনৰ সৈতে বিশেষ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয়ে কথা পাতে। প্ৰধানমন্ত্ৰীয়ে লগতে শেহতীয়া ইউক্ৰেইন ভ্ৰমণৰ অভিজ্ঞতাৰ বিষয়ে শ্ৰীপুটিনক অৱগত কৰে। বাৰ্তালাপৰ সময়ত শ্ৰীমোদীয়ে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধানৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোঁহাৰে।

০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ব্ৰাজিলৰ জি টুৱেণ্টি অধ্যক্ষতাৰ প্ৰতি ভাৰতৰ পূৰ্ণ সমৰ্থনৰ কথা দোহাৰিছে। দিল্লীত আজি অনুষ্ঠিত ভাৰত-ব্ৰাজিল যুটীয়া আয়োগৰ নৱম বৈঠকত উদ্বোধনী ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে ন্যায়পূৰ্ণ বিশ্ব আৰু পৃথিৱীৰ বহনক্ষম বিকাশৰ বাবে ব্ৰাজিলৰ অনন্য উদ্যমৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰাজিলৰ মাজত ২০০৬ চনত গঢ় লৈ উঠা কৌশলগত সহযোগিতা বিগত সময়ছোৱাত বিভিন্ন ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হৈছে। প্ৰতিৰক্ষা, মহাকাশ, সুৰক্ষা, বাণিজ্য আৰু বিনিয়োগকে ধৰি বিভিন্ন ক্ষেত্ৰত ব্ৰাজিলৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতীয় কলা-সংস্কৃতি আৰু দৰ্শনৰ প্ৰতি ব্ৰাজিলৰ জনসাধাৰণৰ আকৰ্ষণ বৃদ্ধি পাইছে। ড০ জয়শংকৰ আৰু ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মৌৰ' ৰীয়েৰিয়ে ভাৰত ব্ৰাজিল যুটীয়া আয়োগৰ এই বৈঠকত সহ অধ্যক্ষতা কৰে। সম্প্ৰতি ব্ৰাজিল জি টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ দায়িত্বত আছে। ১৮ আৰু ১৯ নৱেম্বৰত ব্ৰাজিলত ৰিঅ'ডি জেনেৰিঅ' জি টুৱেণ্টি শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। ব্ৰাজিল আৰু ভাৰতৰ মাজত বহুমুখী সম্পৰ্ক আছে। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ব্ৰাজিলৰ বিদেশ মন্ত্ৰীৰ ভ্ৰমণে ২০০৬ চনত দুয়োদেশৰ মাজত স্থাপন হোৱা কৌশলগত অংশীদাৰিত্ব অধিক সুদৃঢ় কৰাৰ আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰ অন্বেষণৰ সুযোগ প্ৰদান কৰিব।

০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰিব। এই উপলক্ষে গৃহ মন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন-জনসাধাৰণকেন্দ্ৰিক সংস্কাৰ সন্দৰ্ভত ড০ আনন্দ স্বৰূপ গুপ্তা স্মাৰক বক্তৃতা প্ৰদান কৰিব। তেওঁ লগতে ২০২৩ আৰু ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা আৰু উত্তম সেৱা পদক প্ৰাপকসকলক সন্মান জনাব। অনুষ্ঠানত গৃহ মন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সন্দৰ্ভত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ভাৰতীয় আৰক্ষী পত্ৰিকাৰ বিশেষ সংস্কৰণো উন্মোচন কৰিব। আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ই গৱেষণা আৰু উন্নয়নৰ মাধ্যমেৰে আইন-শৃংখলা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে মূল পৰামৰ্শ গোট হিচাপে কাম কৰে। আৰক্ষীৰ বাবে নীতি আৰু প্ৰক্ৰিয়া বিকশাই তোলাই এই প্ৰতিষ্ঠানৰ মূল লক্ষ্য। ইয়াৰ উপৰি প্ৰতিষ্ঠানটোৱে নাগৰিকসকললৈ উন্নত সেৱা আগবঢ়োৱাৰ বাবে সহায়ক প্ৰযুক্তিৰ অন্বেষণ, আইন নিয়ন্ত্ৰণ ব্যৱস্থাৰ সংস্কাৰ আৰু বিধি বলবৎকাৰী সংস্থাসমূহৰ সামৰ্থ্য বৃদ্ধিৰ উপায় সন্দৰ্ভত বিশেষ গুৰুত্ব প্ৰদান কৰে।

০০০

বিজেপিয়ে অহা ২ ছেপ্তেম্বৰত সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ সাধাৰণ সম্পাদক বিনোদ তাৱড়ে কয় যে, বৰ্তমানৰ সকলো সদস্যই নতুনকৈ নাম

অন্তৰ্ভুক্ত কৰিব লাগিব। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ ছেপ্তেম্বৰত দলৰ সভাপতি জে পি নাড্ডাৰ পৰা সদস্য পদ লাভ কৰিব আৰু ইয়াৰ লগে লগে সমগ্ৰ দেশত সদস্যভৰ্তি অভিযান আৰম্ভ হ'ব। শ্ৰীতাৱড়ে কয় যে, বিজেপিৰ সংবিধান অনুসৰি, প্ৰতি ৫-৬ বছৰৰ মূৰে মূৰে সদস্য ভৰ্তি অভিযান অনুষ্ঠিত কৰা হয়। ২৫ ছেপ্তেম্বৰত সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্য্যায়ৰ সামৰণি পৰিব বুলি তেওঁ প্ৰকাশ কৰে।

০০০

উচ্চতম ন্যায়ালয়ে আজি দুৰ্নীতি আৰু দিল্লী সুৰা নীতি কেলেংকাৰী  সম্পৰ্কীয় কলাধন বৈধকৰণৰ গোচৰত ভাৰত ৰাষ্ট্ৰ সমিতি বি আৰ এছৰ নেত্ৰী কে কবিতাক জামিন প্ৰদান কৰে। ন্যায়াধীশ বি আৰ গৱাই আৰু কে ভি বিশ্বনাথক লৈ গঠিত এখন বিচাৰপীঠে কয় যে, কবিতা প্ৰায় ৫ মাহ ধৰি কাৰাগাৰত আছে আৰু কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আই আৰু বিধি বলবৎকাৰী সঞ্চালকালয় ই ডিয়ে তেওঁৰ বিৰুদ্ধে চলোৱা তদন্ত সম্পূৰ্ণ  হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে পহিলা জুলাইত দিল্লী উচ্চ ন্যায়ালয়ে নেত্ৰীগৰাকীৰ জামিন অগ্ৰাহ্য কৰি প্ৰদান কৰা ৰায়ো খাৰিজ কৰে। বিধি বলবৎকাৰী সঞ্চালকালয়ে কবিতাক ১৫ মাৰ্চত হায়দৰাবাদত বঞ্জাৰা হিলছৰ বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰিছিল আৰু তেতিয়াৰে পৰা নেত্ৰীগৰাকী দিল্লীৰ তিহাৰ কাৰাগাৰত বন্দী হৈ আছিল। পাছত চিবিআইয়ে ১১ এপ্ৰিলত কাৰাগাৰখনৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰিছিল। ইপিনে, কবিতাই তেওঁৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ খণ্ডন কৰে।

০০০

জননায়ক জনতা পাৰ্টী আৰু আজাদ সমাজ পাৰ্টী আগন্তুক হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে মিত্ৰজোটৰ কথা ঘোষণা কৰিছে। যুটীয়াভাৱে দিল্লীত আয়োজন কৰা এখন সংবাদমেল সম্বোধন কৰি জে জে পি দলৰ নেতা দুশন্ত সিং চৌতালা আৰু এ এছ পিৰ সভাপতি চন্দ্ৰশেখৰ আজাদে আজি এই কথা ঘোষণা কৰে। এই মিত্ৰজোটে হাৰিয়ানাত মুঠ ৯০ টা বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব য'ত ৭০ খন আসনত জেজেপিয়ে আৰু এ এছ পিত ২০ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অহা ১ অক্টোবৰ তাৰিখে এটা পৰ্যায়ত হাৰিয়ানাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ অক্টোবৰ তাৰিখে জম্মু আৰু কাশ্মীৰৰ সৈতে হাৰিয়ানাতো ভোটগণনা কৰা হ'ব।

০০০

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কাইলৈ নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বছৰৰ অনুভৱ বঁটাসমূহ প্ৰদান কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰ ২২টা মন্ত্ৰালয় আৰু বিভাগে প্ৰকাশ কৰা লেখাৰ মাজৰ পৰা পাঁচটা অনুভৱ বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ লগতে ১০টাই বিচাৰকৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে ২০১৫ চনত পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগে অনুভৱ শীৰ্ষক মঞ্চ মুকলি কৰিছিল। এই মঞ্চ অৱসৰপ্ৰাপ্ত আৰু অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলে তেওঁলোকৰ চাকৰিৰ কালছোৱাত প্ৰদৰ্শন কৰাৰ উল্লেখনীয় সাফল্য প্ৰদৰ্শনৰ বাবে মুকলি কৰা হৈছে। এতিয়ালৈ ৫৪টা অনুভৱ বঁটা প্ৰদান কৰা হৈছে। মন্ত্ৰী ড০ সিঙে লগতে কাইলৈ নতুন দিল্লীত একাদশ সৰ্বভাৰতীয় পেন্সন আদালত আৰু ৫৫ সংখ্যক প্ৰাক-অৱসৰকালীন পৰামৰ্শদান কৰ্মশালাত অধ্যক্ষতা কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সু-প্ৰশাসনৰ অংশ হিচাপে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০

হৰমন প্ৰীত কৌৰ সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইত হ'বলগীয়া  মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ১৫ জনীয়া ভাৰতীয় দলৰ অধিনায়ক হ'ব। স্মৃতি মান্ধানাক দলৰ উপ অধিনায়কৰ দায়িত্ব অৰ্পন কৰা হৈছে। দলৰ বাকী খেলুৱৈসকলৰ ভিতৰত শ্বেফালি বাৰ্মা, দিপ্তী শৰ্মা, জেমিমা ৰোদ্ৰিগ্‌ছ, উইকেটকিপাৰ ৰিছা ঘোষ, পুজা ৰস্ত্ৰকাৰ, অৰুন্ধতি ৰেড্ডী, ৰেণুকা সিং ঠাকুৰ, দয়ালান হেমলতা, আশা শোভনা, ৰাধা যাদৱ আৰু শ্বাজনা সঞ্জীৱন আছে। উইকেটকিপাৰ বেটছমেন যস্তিকা যাদৱ আৰু  অলৰাউণ্ডাৰ শ্ৰেয়ংকা পাটিলক দলত অন্তৰ্ভুক্ত কৰা হৈছে। এই প্ৰতিযোগিতাত নৱম সংস্কৰণ ৩ ৰ পৰা ২০ অক্টোবৰলৈ ইউ এ ইৰ ডুবাই আৰু শ্বাৰজাহত অনুষ্ঠিত হ'ব।  ভাৰত, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, পাকিস্তান আৰু শ্ৰীলংকাক প্ৰতিযোগিতাৰ গ্ৰুপ-এত স্থান দিয়া হৈছে।

০০০

ঃঃ সমাপ্ত ঃঃ